*Total number of printed pages–7*

**63/1 (Sem–4) CC10/ASMHC4106**

**2024**

# ASSAMESE

Paper : ASMHC4106

***(Study on Assamese Language)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : *(যিকোনো ছয়টা)* ১×৬=৬

(ক) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কিমানটা?

*(i)* ৭টা

*(ii)* ৫টা

*(iii)* ৮টা

*(iv)* ১০টা

*Contd.*

(খ) অপভ্ৰংশ শব্দটো কোনে প্ৰথমে প্ৰয়োগ কৰিছিল?

(i) পাণিনিয়ে

(ii) ভৰত মুনিয়ে

(iii) বাল্মিকীয়ে

(iv) পতঞ্জলিয়ে

(গ) "তেওঁলোকৰ ভাষা (কামৰূপৰ মানুহৰ) মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ।" এই উক্তিটো কাৰ?

(i) বাণীকান্ত কাকতিৰ

(ii) গ্ৰীয়াৰ্চনৰ

(iii) সুনীতি কুমাৰ চেটাৰ্জীৰ

(iv) হিউয়েন চাঙৰ

(ঘ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক কেতিয়া দুটা ভাগত ভাগ কৰা হৈছিল?

(i) ১৭৮০

(ii) ১৮৭০

(iii) ১৯২০

(iv) ১৮৭১



(ঙ) Assamese : Its formation and developmentৰ ৰচক কোন?

(i) গ্ৰীয়াৰ্চন

(ii) ব্লুমফিল্ড

(iii) তাৰাপৰোৱালা

(iv) বাণীকান্ত কাকতি

(চ) 'গাহা সত্তসই' কোনটো প্ৰাকৃতত ৰচিত?

(i) মাগধী

(ii) মহাৰাষ্ট্ৰী

(iii) পৈশাচী

(iv) শৌৰসেনী

(ছ) "অসমীয়া ভাষাটো বিভিন্ন অনা-আৰ্য ভাষাৰ সাগৰৰ মাজত এটা সৰু দ্বীপৰ দৰে।" উক্তিটো কাৰ?

(i) ড° উপেন্দ্ৰনাথ গোস্বামীৰ

(ii) ড° বাণীকান্ত কাকতিৰ

(iii) ড° কালিৰাম মেধিৰ

(iv) ড° সুনীতি কুমাৰ চেটাৰ্জীৰ

(জ) চৰ্যাপদ নেপাল ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা কেতিয়া উদ্ধাৰ কৰিছিল?

*(i)* ১৯০৪

*(ii)* ১৯১৬

*(iii)* ১৮০৭

*(iv)* ১৯২০

(ঝ) অসমীয়া ভাষাৰ উপভাষা-বিষয়ক গ্ৰন্থ কোনে পোন প্ৰথমে লিখিছিল?

*(i)* ড° উপেন্দ্ৰনাথ গোস্বামী

*(ii)* ড° নগেন ঠাকুৰ

*(iii)* ড° কালিৰাম মেধি

*(iv)* ড° ৰমেশ পাঠক

(ঞ) মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ স্তৰ কেইটা?

*(i)* চাৰিটা

*(ii)* তিনিটা

*(iii)* দুটা

*(iv)* এটা



২। চমু উত্তৰ লিখা *(যিকোনো পাঁচটা)* ঃ ২×৫=১০

(ক) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত কোনকেইটা অনাৰ্য ভাষাগোষ্ঠীৰ প্ৰভাৱ পৰিছে লিখা।

(খ) অষ্ট্ৰিক গোষ্ঠীৰ অন্তৰ্গত *দুটা* ভাষাৰ নাম লিখা।

(গ) অসমীয়া ভাষাটো মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা বুলি মন্তব্য আগবঢ়োৱা দুগৰাকী ভাষাবিদৰ নাম লিখা।

(ঘ) গোৱালপৰীয়া উপভাষাৰ *দুটা* ধ্বনিতাত্ত্বিক বৈশিষ্ট্য লিখা।

(ঙ) মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা ভাষাকেইটাৰ নাম লিখা।

(চ) অসমীয়া ভাষাৰ উষ্মধ্বনি কেইটা আৰু কি কি?

(ছ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালক কোনে কেইটা শাখাত বিভক্ত কৰিছে আৰু কি কি?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বিষয়ে চমুকৈ লিখা।

(খ) প্ৰাকৃত নামৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিষয়ে এটি পৰিচয় দাঙি ধৰা।

(ঘ) অপভ্ৰংশৰ বিষয়ে লিখা।

(ঙ) অসমীয়া ভাষাত মাগধী উপাদান সম্পৰ্কে লিখা।

(চ) অষ্ট্ৰিক ভাষা পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰা।

(ছ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণ সম্পৰ্কে লিখা।

(জ) উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকা এখন প্ৰস্তুত কৰা।

(ঝ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ঞ) অসম নামৰ উৎপত্তি সম্পৰ্কে লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(খ) অসমীয়া ভাষাত কামৰূপী প্ৰাকৃতৰ নিদৰ্শন সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া ভাষালৈ আৰ্যভিন্ন ভাষাগোষ্ঠীৰ উপাদান সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঘ) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে আলোচনা কৰা।



৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰসমূহৰ বিষয়ে আলোচনা কৰা।

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ কেন্তম্ শাখাৰ ভাষাসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(গ) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কত আগবঢ়োৱা মতসমূহ উল্লেখ কৰি গ্ৰহণযোগ্য মতটোৰ সম্পৰ্কত আলোচনা কৰা।